**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 03-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**-----------------------------**

## *Headlines*

১। শিক্ষা ক্ষেত্ৰ আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাৰ ৯১খন নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ক একত্ৰিকৰণৰ নিৰ্দেশ ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত ৭ জনৰ বিৰুদ্ধে কিছুসময়ৰ পাছতে তৃতীয়টো শুনানি ।

৩। হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলত আজি দ্বিতীয় দিনাও উচ্ছেদ অব্যাহত।

আৰু

৪। এখন শক্তিশালী পাঠক সমাজে জাতিটোক শক্তিশালী কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

০০০০০০০

অসম চৰকাৰে শিক্ষা ক্ষেত্ৰ আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাৰ ৯১খন নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ক একত্ৰিকৰণৰ নিৰ্দেশ দিছে। অতিৰিক্ত বিত্তীয় বুজা নোহোৱাকৈ প্ৰয়োজনীয় ব্যৱস্থাৰ যুক্তিসংগত ব্যৱহাৰেৰে প্ৰাথমিক শিক্ষাক উন্নতমানৰ কৰাৰ লক্ষ্যৰে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি কামৰূপ জিলাৰ ১০খন, লখিমপুৰৰ ১০খন, শিৱসাগৰৰ ১০খন, বৰপেটাৰ ৬খন, মাজুলিৰ ৭খন, কাছাৰৰ ৫খন, হাইলাকান্দিৰ ৫খন, শ্ৰীভূমিৰ ৪খন, ডিব্ৰুগড়, গোৱালপাৰা, গোলঘাট, হোজাই, যোৰহাট, নগাঁও আৰু নলবাৰীৰ ৩খনকৈ, বিশ্বনাথ, শোণিতপুৰ আৰু বঙাইগাঁৱৰ দুখনকৈ আৰু দৰং, চৰাইদেউ, ধেমাজি, ধুবুৰী, মৰিগাঁও আৰু তিনিচুকীয়া জিলাৰ এখনকৈ বিদ্যালয়ৰ একত্ৰিকৰণ কৰা হ'ব। বিদ্যালয়সমূহৰ একত্ৰিকৰণৰ পৰিপ্ৰেক্ষিতত কোনো অতিৰিক্ত পদ সৃষ্টি কৰা নহয় বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদন জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে প্ৰত্যাখ্যান কৰিছে। উল্লেখযোগ্য যে মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদনৰ পাছতে জনজাতি সংগঠনসমূহে প্ৰতিবেদনখন পুংখানুপুংখভাৱে অধ্যয়ন কৰি সিদ্ধান্ত ল'বলৈ এমাহ সময় বিচাৰিছিল। সমন্বয়ৰক্ষী সমিতিয়ে মানৱাধিকাৰ কৰ্মী সুহাস চাকমাৰ অধ্যক্ষতাত এখন বিশেষজ্ঞ সমিতি গঠন কৰিছিল। এই বিশেষজ্ঞ সমিতিয়ে মন্ত্ৰীগোটৰ প্ৰতিবেদন তন্ন তন্নকৈ অধ্যয়ন কৰি প্ৰয়োজনীয় নথি-পত্ৰসহ জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিক চূড়ান্ত প্ৰতিবেদন দাখিল কৰে। কালি এখন সংবাদমেলত সমন্বয়ৰক্ষী সমিতিৰ নেতৃত্বই এই বিষয়টো সম্পূৰ্ণৰূপে নাকচ কৰি ভাৰতীয় সংবিধানত অনুসূচিত জাতি আৰু জনজাতি দুটা সুকীয়া আৰু স্বকীয় বৈশিষ্ট থকা পৃথক গোট বুলি মন্তব্য কৰে। তেওঁলোকে লগতে পৰৱৰ্তী পদক্ষেপ হিচাপে ৪ অথবা ৫ জানুৱাৰীত মন্ত্ৰীগোটক বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদনখন দাখিল কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত ৭ জনৰ বিৰুদ্ধে আজি কিছুসময়ৰ পাছতে কামৰূপ মহানগৰ জিলা ছেছন ন্যায়াধীশৰ আদালতত তৃতীয়টো শুনানি গ্ৰহণ কৰা হ'ব। এই শুনানিত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্তসহ আটাইকেইজন অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ কোনটো ধাৰাত বিচাৰ চলিব সেয়া নিশ্চিত কৰাৰ সম্ভাৱনা আছে। অৱশ্যে আজিৰ শুনানিত চৰকাৰী পক্ষৰ অধিবক্তাই অতিৰিক্ত সময় লোৱাৰো সুযোগ থাকিব। নিয়ম অনুসৰি কি ধাৰাত বিচাৰ চলিব সেই বিষয়ে গ্ৰহণ

কৰা শুনানিত অভিযুক্তই আদালতত সোঁশৰীৰে উপস্থিত থাকিব লাগে যদিও আইন শৃংখলাজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আদালতৰ অনুমতি সাপেক্ষে কাৰাগাৰ কৰ্তৃপক্ষই সাতোজন অভিযুক্তক ভাৰ্চুৱেল ব্যৱস্থাৰে হাজিৰ কৰোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। গোচৰটোৰ শুনানিৰ বাবে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ ইতিমধ্যে ছেছন আদালতত উপস্থিত হৈছে। শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যু তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ বিষয়া আৰু অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ অধিবক্তাও ন্যায়ালয়ত উপস্থিত হৈছে।

০০০০০০০

হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ আজি দ্বিতীয় দিনাও অব্যাহত আছে। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰা হৈছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০ টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমি উচ্ছেদ স্থগিত ৰখা হৈছে। উচ্ছেদ অভিযানত ৫৩ খন বুলডজাৰ ব্যৱহাৰ কৰা হৈছে। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে কেইবাশ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান নিয়োগ কৰা হয়। উচ্ছেদকালত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই পৰিস্থিতি পৰ্যবেক্ষণ কৰে।

০০০০০০০

নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি বজালী জিলাৰ দুটা বিধানসভা সমষ্টিত আজি বিশেষ গাঁওসভা আৰু ৱাৰ্ড কমিটীৰ বৈঠক অনুষ্ঠিত হ'ব। ২১ নম্বৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টি আৰু ২৬ নম্বৰ বজালী বিধানসভা সমষ্টিত এই বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত নাগৰিকসকলে ভোটাৰ তালিকাত নিজৰ নাম, তথ্য পৰীক্ষা কৰাৰ লগতে কৰ্তন, অন্তৰ্ভুক্তি, স্থানান্তৰ বা সংশোধনৰ প্ৰয়োজন হ'লে অনলাইন আবেদন কৰিব পাৰিব।  এই সন্দৰ্ভত যিকোনো সহায়ৰ বাবে স্থানীয় বি এল অ'ৰ সৈতে যোগাযোগ কৰাৰ লগতে voters.eci.gov.in অথবা ceoassam.nic.in ত Log in কৰিবলৈ বজালী জিলা নিৰ্বাচনী বিষয়াই জিলাখনৰ ভোটদাতাসকলক আহ্বান জনাইছে।

০০০০০০০

শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে আজি ধেমাজি জিলাত ভাৰতীয় জনতা পাৰ্টিৰ তথ্যপ্ৰযুক্তি আৰু সামাজিক মাধ্যমৰ উপ সমিতিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত চৰকাৰৰ জনকল্যাণমূলক আঁচনি আৰু উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত জনসজাগতা সৃষ্টিৰ ক্ষেত্ৰত তথ্যপ্ৰযুক্তি আৰু সামাজিক মাধ্যমৰ ভূমিকা সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। সাংসদ প্ৰদান বৰুৱা, ধেমাজি জিলাৰ সভানেত্ৰী ৰূপা কামান, দেউৰী স্বায়িত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰীৰ লগতে জিলাখনৰ সকলো মণ্ডলৰ সভাপতি আৰু সভানেত্ৰীসকল বৈঠকত উপস্থিত থাকে।

০০০০০০০

এখন শক্তিশালী পাঠক সমাজে জাতিটোক শক্তিশালী কৰে আৰু গ্ৰন্থমেলা হৈছে এনে পাঠক সমাজ গঢ়ি তোলাৰ মহৎ পদক্ষেপ বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ বাকৰিত কালি গ্ৰন্থমেলাৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰি শ্ৰীসোণোৱালে এইদৰে কয়। তেওঁ গ্ৰন্থমেলা কিতাপৰ তীৰ্থস্থান বুলি উল্লেখ কৰি কয়, যে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই গ্ৰন্থমেলাৰ জৰিয়তে ৰাজ্যত বৌদ্ধিক আন্দোলন শক্তিশালী কৰিছে। প্ৰযুক্তি নিৰ্ভৰ বৰ্তমান যুগত সফলতা অৰ্জনৰ বাবে অধ্যয়নৰ বিকল্প নাই বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে যুৱপ্ৰজন্মক পঢ়াৰ সংস্কৃতি গঢ়ি তুলিবলৈ আহ্বান জনায়।

**-বাইট-**

যোৱা ২৪ ডিচেম্বৰত আৰম্ভ হোৱা অসম গ্ৰন্থমেলাৰ কালি দশম দিনাও গ্ৰন্থপ্ৰেমীৰ যথেষ্ট ভিৰ পৰিলক্ষিত হয়। অসম প্ৰকাশন পৰিষদৰ লগতে অন্যান্য পুথি বিক্ৰেতাসকলে প্ৰকাশ কৰা অনুসৰি গ্ৰন্থমেলাত কালি পৰ্যন্ত ৫ কোটি ২০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হৈছে।

গ্ৰন্থমেলাত আজি দিনৰ ১১ বজাত মহিলাসকলৰ ভিন্নসুৰী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিয়লি ৩ বজাত কবি অপৰাজিতা পূজাৰীৰ সঞ্চালনাত হ'বলগীয়া বহুভাষিক কবি সন্মিলনত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু উত্তৰ প্ৰদেশৰ জনপ্ৰিয় কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

যোৱা ১ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত যোড়শ চানডুবি উৎসৱত জনগোষ্ঠীয় লোকনৃত্য,পৰম্পৰাগত খাদ্য সম্ভাৰ, সাজপাৰ আৰু খেল-ধেমালিৰে মুখৰ হৈ পৰিছে। আমাৰ কামৰূপ জিলাৰ সংবাদদাতাই জনোৱা মতে উৎসৱ থলীত থলুৱা শিল্পীয়ে নিৰ্মাণ কৰা বাৰেৰহণীয়া শিল্পকৰ্ম আৰু লোকনৃত্য উপভোগ কৰিবলৈ প্ৰতিদিনে ভালেসংখ্যক লোকে ভিৰ কৰিছে। অসম-মেঘালয় সীমান্তৰ চানডুবি বিলৰপাৰত বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থা আৰু চানডুবি উদযাপন সমিতিৰ উদ্যোগত আয়োজন কৰা এই উৎসৱৰ জৰিয়তে চানডুবি বিলৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰয়াস কৰি অহা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

**সমাপ্ত**